অসম

কাজিৰঙাৰ ৰঙাজানত ভয়ংকৰ পথ দুৰ্ঘটনা, ১০জনতকৈ অধিক লোকৰ মৃত্যু

ৰঙাজানত যাত্ৰীবাহী ট্ৰেভেলাৰে কণ্টেইনাৰ বাহনক খুন্দা মৰাত ১০জনতকৈ অধিক লোকৰ মৃত্যু হোৱা বুলি প্ৰাথমিকভাৱে জানিব পৰা গৈছে। উদ্ধাৰ অভিযান অব্যাহত আছে।

প্ৰকাশ: ১৩ নৱেম্বৰ ২০২৬, আবেলি ৪:০৩ আপডেট: ১৩ নৱেম্বৰ ২০২৬, আবেলি ৪:১৫



Over 10 feared dead in Kaziranga road crash (NewzNow)

কাজিৰঙা, ১৩ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাজানত সংঘটিত হৈছে এক ভয়ংকৰ পথ দুৰ্ঘটনা। তীব্ৰবেগী যাত্ৰীবাহী ট্ৰেভেলাৰ এখনৰ সৈতে কণ্টেইনাৰ ট্ৰাকৰ সংঘৰ্ষৰ ফলত ১০জনতকৈ অধিক লোকৰ মৃত্যু হোৱা বুলি প্ৰাথমিকভাৱে জানিব পৰা গৈছে। অৱশ্যে মৃত্যুৰ সংখ্যা এতিয়াও আনুষ্ঠানিকভাৱে নিশ্চিত কৰা হোৱা নাই।

প্ৰাপ্ত তথ্য অনুসৰি, যোৰহাটৰ পৰা নগাঁও অভিমুখে গৈ থকা AS02 AC 6690 নম্বৰৰ ট্ৰেভেলাৰখন ৰঙাজানত KA01 AT 0977 নম্বৰৰ কণ্টেইনাৰ বাহনখনত খুন্দা মাৰে। দুৰ্ঘটনাৰ সময়ত ট্ৰেভেলাৰখনত ৩৫জনতকৈ অধিক যাত্ৰী আছিল বুলি জানিব পৰা গৈছে। যাত্ৰীসকলৰ অধিকাংশই কলেজীয়া শিক্ষাৰ্থী বুলি প্ৰাথমিক তথ্যত প্ৰকাশ পাইছে।

সংঘৰ্ষৰ ফলত ট্ৰেভেলাৰখনৰ সন্মুখভাগ সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰে। বাহনখনৰ ভিতৰত বহু যাত্ৰী আবদ্ধ হৈ থকাৰ আশংকা কৰা হৈছে। বৰ্তমানেও উদ্ধাৰ অভিযান অব্যাহত আছে। উদ্ধাৰকাৰী দলে বাহনখনৰ ভিতৰত আবদ্ধ হৈ থকা লোকসকলক উদ্ধাৰৰ চেষ্টা চলাইছে।

© 2026 NewzNow

ইফালে, দুর্ঘটনাৰ খবৰ পোৱাৰ পাছতে মন্ত্ৰী অতুল বৰা ঘটনাস্থলীত উপস্থিত হয়। তেওঁ উদ্ধাৰ অভিযানৰ অগ্ৰগতিৰ বুজ লয়। আহতসকলক উদ্ধাৰ কৰি কঁহৰা আদর্শ চিকিৎসালয়ত ভর্তি কৰোৱা হৈছে।

ঘটনাস্থলীত পৰিয়ালৰ লোকসকলৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। বহু পৰিয়ালে আপোনজনৰ সন্ধানত উদ্বিগ্নতাৰে অপেক্ষা কৰি আছে। দুর্ঘটনাটোৰ ফলত মৃত্যুৰ সংখ্যা আৰু বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে।

উল্লেখ্য যে, উদ্ধাৰ অভিযান অব্যাহত থকাৰ বাবে নিহত আৰু আহতৰ সঠিক সংখ্যা এতিয়াও নিশ্চিত হোৱা নাই। দুর্ঘটনাৰ কাৰণো তদন্তৰ পাছতহে স্পষ্ট হ’ব।

লাইভ আপডেট

আবেলি ৪:১৫

দুর্ঘটনাস্থলীতে ট্ৰেভেলাৰখনৰ ভিতৰত ৬গৰাকী যাত্ৰীৰ মৃত্যু

প্ৰাপ্ত তথ্য অনুসৰি, দুর্ঘটনাস্থলীতে ট্ৰেভেলাৰখনৰ ভিতৰত ৬গৰাকী যাত্ৰীৰ মৃত্যু হয়। আন ৪গৰাকীৰ হাস্পতাললৈ নিয়াৰ পথত মৃত্যু হয়। আনহাতে, হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয় আন দুগৰাকী যাত্ৰীৰ।
দুর্ঘটনাত আহত আটাইকেইগৰাকীকে শ্বহীদ কমলা মিৰি অসামৰিক চিকিৎসালয়ত ভর্তি কৰোৱা হৈছে। মৃতকৰ পৰিচয় সম্পর্কে এতিয়ালৈকে সম্পূর্ণ তথ্য লাভ কৰা হোৱা নাই।

আবেলি ৪:১১

নিহতৰ সংখ্যা ১২গৰাকীলৈ বৃদ্ধি

কাজিৰঙাত ভয়ংকৰ পথ দুর্ঘটনাত নিহতৰ সংখ্যা বৃদ্ধি। হাস্পতালত মৃত্যু আন দুগৰাকী ট্ৰেভেলাৰৰ যাত্ৰীৰ, এতিয়ালৈ উদ্ধাৰ হোৱা নাই পৰিচয়। মৃতকৰ মাজত দুগৰাকী মহিলাও থকাৰ খবৰ।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2736/kaziranga-rangajan-traveller-container-accident